## মনচবদাৰী ব্যৱস্থা । চমুটোকা

মোগল প্ৰশাসন ব্যৱস্থাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য হ'ল মনচবদাৰী প্ৰথা। সম্ৰাট আকবৰে এই ব্যৱস্থা প্ৰৱৰ্তনৰ যোগেদি প্ৰশাসন ব্যৱস্থা সবল কৰাৰ লগতে যোগ্যজনক সামৰিক আৰু অসামৰিক পদত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছিল।

আৰবী ভাষাৰ পৰা উৎপন্ন "মনচব" শব্দৰ অৰ্থ হ'ল পদমৰ্য্যাদা, এই প্ৰথাৰ যোগেদি সামৰিক আৰু অসামৰিক লোক সকলৰ পদমৰ্য্যাদা নিৰ্ণয় কৰা হৈছিল। জাট আৰু চৱাৰৰ দ্বাৰা মনচবদাৰ সকলক ভাগ কৰা হৈছিল। তিনি ভাগত বিভক্ত মনচবদাৰ সকলৰ ১ম ভাগত আছিল মনচবদাৰৰ পদমৰ্য্যাদা আৰু চৱাৰৰ সংখ্যা সমান থকা সকল। যিসকল মনচবদাৰৰ পদমৰ্য্যাদাৰ আধা চৱাৰ আছিল তেওঁলোক ২য় শ্ৰেণীৰ অন্তৰ্ভুক্ত আছিল। পদমৰ্য্যাদাৰ আধাতকৈ কম চৱাৰ থকা সকল ৩য় শ্ৰেণীৰ অন্তৰ্ভুক্ত হৈছিল। উচ্চ পদমৰ্য্যাদাৰ মনচবদাৰ সকলক আমিৰ বা ওমৰাহ বুলি কোৱা হৈছিল। সাধাৰণতে ৫০০ জাট আৰু ১০০ চৱাৰ থকা সকল আমিৰ হ'ব পাৰিছিল। ১০০০ মনচবদাৰ সকলক ওমৰাহ-ই-কিবাৰ নিযুক্তি দিয়া হৈছিল। খান-ই-খানান আছিল মনচবদাৰী প্ৰথাৰ সৰ্বোচ্চ পদ।

মনচবদাৰ সকলে সামৰিক আৰু অসামৰিক দুয়োবিধৰ দায়িত্ব পালন কৰিছিল। যুদ্ধত উপস্থিতি বাধ্যতামূলক হোৱাৰ লগতে পদাতিক, অশ্বাৰোহী আৰু হস্তীবাহিনী ৰখাটো বাধ্যতামূলক আছিল। সৈন্য আৰু ঘোঁৰাৰ ক্ষেত্ৰত হুলীয়া আৰু দাগ বাধ্যতামূলক আছিল। পদমৰ্য্যাদা অনুসৰি মনচবদাৰ সকলক দৰমহা দিয়াৰ ব্যৱস্থা আছিল। এই বিষয়াসকলক ৰজাই নিযুক্তি দিছিল। মনচবদাৰৰ ঘোঁৰাসমূহ ৬ ভাগত আৰু হাতীসমূহ ৫ ভাগত বিভক্ত আছিল।

মনচবদাৰী ব্যৱস্থাৰ কেবাটাও সুফল দেখা যায়। এই ব্যৱস্থা বংশানুক্ৰমিক নোহোৱাৰ বাবে যোগ্যজনে লাভ কৰাৰ লগতে যোগ্যতা অনুসৰি পদোন্নতি লাভ কৰিছিল। ইয়াৰ ফলস্বৰূপে বিষয়াসকলৰ পাৰদৰ্শিতা বৃদ্ধি হৈছিল। বৈষম্য নথকাৰ বাবে সকলো জাতি আৰু ধৰ্মৰ লোকে প্ৰশাসন ব্যৱস্থাত জড়িত হ'ব পাৰিছিল। মনচবদাৰসকলে সামৰিক বাহিনী বাধ্যতামূলকভাৱে ৰাখিব লাগিছিল। ফলত মোগল সাম্ৰাজ্য সুদৃঢ় হোৱাৰ লগতে প্ৰতিৰক্ষা ব্যৱস্থা সবল হৈছিল।

মনচবদাৰী ব্যৱস্থাৰ কেবাটাও কুফলো দেখা যায়। প্ৰত্যক্ষভাৱে মনচবদাৰৰ তলতীয়া সামৰিক বাহিনী সম্ৰাটতকৈ মনচবদাৰ সকলৰ প্ৰতি অধিক অনুগত আছিল। এফালে অনিয়মীয়া দৰমহা আৰু আনফালে বিষয়াজনৰ

Scanned with CamScanner

মৃত্যুৰ পিছত তেওঁৰ সম্পত্তি বাজেয়াপ্তৰ ব্যৱস্থা থকাত মনচবদাৰসকলে জীৱিতকালত যথেষ্ট বিলাসী জীৱন যাপন কৰি দেশৰ অৰ্থনীতিত কু-প্ৰভাৱ পেলাইছিল। আনহাতে ঔৰংজেবৰ মৃত্যুৰ পিছত তেওঁৰ দুৰ্বল উত্তৰাধিকাৰীসকলে এই ব্যৱস্থা সফলভাৱে পৰিচালনাত ব্যৰ্থ হৈছিল।